Series &RQPS/S

SET-4

Q.P. Code **14/S**

Roll No. | | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

**NOTE**

(I) Please check that this question paper contains **11** printed pages.

(II) Please check that this question paper contains **17** questions.

(III) Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.

(IV) **Please write down the serial number of the question in the answer-book before attempting it.**

(V) 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* — *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* — *Maximum Marks : 80*

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **17** questions.*

***Section A** : 1 Question no. 1 to 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 5 Questions no. 7 to 11*

***Section D** : 6 Questions no. 12 to 17*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

***সাধাৰণ নিৰ্দেশনা :***

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি **(৪)** ভাগত বিভক্ত ।*

*সৰ্ব্বমুঠ প্ৰশ্নৰ সংখ্যা : **১৭***

***শাখা 'ক'** : প্ৰশ্নৰ সংখ্যা ১, প্ৰশ্ন নং ১-১*

***শাখা 'খ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ২-৬*

***শাখা 'গ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ৭-১১*

***শাখা 'ঘ'** : প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১২-১৭*

*নিৰ্দ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পুৰ্বে প্ৰশ্ন নং লিখাটো আৱশ্যক ।*

## SECTION A

**(বোধ পৰীক্ষণ)** **(15 Marks)**

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ –

আমাৰ সমাজত প্ৰচলিত যিবোৰ ধাৰণা ভ্ৰান্ত বুলি প্ৰমাণিত হ'লেও তাক অন্ধভাৱে পালন কৰা হয় তাকে কু-সংস্কাৰ বুলি কোৱা হয় । আমাৰ দেশৰ বেছিভাগ মানুহ দুখীয়া আৰু অশিক্ষিত হোৱা বাবে কু-সংস্কাৰ সমূহ আঁতৰ কৰিব পৰাৰ বিপৰীতে ই মানুহৰ মনত দ'লৈকে হে শিপাই গৈছে । আনহাতে বিজ্ঞান হ'ল প্ৰকৃত জ্ঞান, যুক্তি, তৰ্কৰ দ্বাৰা প্ৰমাণিত আৰু স্বচ্ছ । বিজ্ঞানে মানুহৰ মনৰ কু-সংস্কাৰ আঁতৰ কৰে ।

মানুহৰ ব্যক্তিগত জীৱনেই হওঁক বা সামাজিক জীৱনেই হওঁক, ই কিছুমান আচাৰ আচৰণৰ দ্বাৰা গঠিত । আমাৰ সংসাৰ আৰু পাৰিৱাৰিক তথা সমাজ জীৱন কিছুমান আচাৰ-আচৰণ অৰ্থাৎ অভ্যাসৰ দ্বাৰা গঠিত । পিতৃ-মাতৃ তথা গুৰুজনাক শ্ৰদ্ধা কৰা, নিজতকৈ সৰুজনক মৰম-চেনেহ কৰা হ'ল সহজাত সংস্কাৰ । কিন্তু ভগৱানক সেৱা কৰাটো হ'ল অভ্যাস । এনেদৰে আমি সৰুকালৰ পৰাই কিছুমান সু-সংস্কাৰ আৰু কু-সংস্কাৰ শিকি আহিছোঁ ।

সৰুৰেপৰা ল'ৰা ছোৱালীয়ে ডাঙৰে কৰা আচৰণ দেখি শুনি নাইবা লগৰ ল'ৰা-ছোৱালী, কিতাপ-আলোচনী, চিনেমা আদিত দেখি বিচাৰ-বিবেচনা নকৰাকৈ বহু কু-সংস্কাৰ অনুসৰণ কৰা । এইবোৰ মানুহৰ মনত দ'কৈ সোমাই পৰিলে, ইয়াক সহজতে আঁতৰ কৰা টান হৈ পৰে । সাধাৰণতে মানুহৰ অসুখ হ'লেই আজিকালি ডাক্তৰৰ ওচৰলৈ ৰোগীক নিয়া হয় যদিও, আজিকালিও এনে বহু লোক আছে যিয়ে অসুখ হ'লে জৰা-ফুঁকা কৰাই, মালা-আঙঠি আদি পিন্ধে । ফলত ৰোগৰ প্ৰকোপ বাঢ়িহে যায় ।

এইবোৰৰ দৰে আমাৰ দেশত ধৰ্মৰ নামতো যতেষ্ট কু-সংস্কাৰ বৰ্তি আছে । অনাহাৰ অনিদ্ৰাৰে থাকি ঈশ্বৰক স্তুতি কৰা, মাটিৰ মূৰ্তিক গাখীৰ খুওঁৱা, বলি-বিধানৰ দ্বাৰা মংগল কামনা কৰা আদিৰ দৰে ধৰ্মীয় কু-সংস্কাৰ বহুদিনৰ পৰা সমাজত প্ৰচলিত হৈ আছে । এই অন্ধ বিশ্বাস তথা কু-সংস্কাৰবোৰে মানুহৰ মন দুৰ্বল কৰে । তদুপৰি বৰ্তমান বিজ্ঞানৰ যুগত এনেদৰে সমাজ পৰিচালিত হোৱাটো আশ্চৰ্যকৰ কথা ।

অৰ্থনৈতিক আৰু সামাজিক উন্নতি অবিহনে সমাজত কু-সংস্কাৰ প্ৰচলিত হৈয়ে থাকিব । প্ৰকৃত শিক্ষাৰ অভাৱৰ বাবে মানুহে সকলোবোৰ কথা ভালদৰে ফঁহিয়াই চাবলৈ নিশিকে । আৰ্থিকভাৱে দুৰ্বল তথা নিৰক্ষৰ মানুহে চিকিৎসাৰ ব্যয় বহন কৰিব নোৱাৰা বাবে ওজা সাধুবাবাৰ ওচৰলৈ যায় নাইবা ভগৱানৰ ওচৰত শৰণ লয় । এনেদৰে যুগ যুগ ধৰি সমাজত কু-সংস্কাৰবোৰ প্ৰচলিত হৈ আহিছে ।

মানুহৰ মনৰ পৰা এই কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰ কৰিব পাৰিব কেৱল বিজ্ঞানে । বিজ্ঞান শিক্ষাই মানুহক যুক্তিৰে যিকোনো কথা বিচাৰ কৰি চাবলৈ শিকায় । বিজ্ঞানে মানুহৰ যাত্ৰা পথৰ পথপ্ৰদৰ্শক হিচাপে কাম কৰিব পাৰে । শিক্ষাৰ বিষয়বস্তু এনে হ'ব লাগে যাতে ই সমাজৰ সকলোকে নিজ নিজ কৰ্তব্যৰ প্ৰতি সচেতন কৰি তোলে আৰু ধৰ্মীয় গোড়ামি পাহৰি সাম্প্ৰদায়িক সংহতিমূলক বিষয়ৰ প্ৰতি মনোযোগ দিয়ে ।

এইবোৰৰ উপৰি সকলোৰে বাবে স্বাস্থ্যৰ জৰিয়তে সমাজৰ তৃণমূল পৰ্যায়লৈকে চিকিৎসা সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে যাতে মানুহে সাধাৰণ সৰু সৰু অসুখৰ পৰা আৰম্ভ কৰি সকলো ৰোগৰ চিকিৎসা কম সময়তে কম খৰচতে লাভ কৰিব পাৰে । তদুপৰি সকলোৰে বাবে বিজ্ঞান শিক্ষাৰ ব্যৱস্থা কৰাতো আৱশ্যক । চৰকাৰী আৰু বেচৰকাৰী পৰ্যায়ত সাধাৰণ লোকৰ মাজত বিজ্ঞানৰ চেতনা বৃদ্ধিৰ বাবে অভিযান চলোৱা আৱশ্যক । অলৌকিকতাৰ মাজতো যে বিজ্ঞান লুকাই আছে তাক বিভিন্ন প্ৰক্ৰিয়াৰে উদঙাই দিব পাৰি । ছাত্ৰ-ছাত্ৰীয় যাতে আৰম্ভণিৰ পৰাই কু-সংস্কাৰ মুক্ত আৰু বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত হয় তাৰ প্ৰতি চকু ৰাখিব লাগে । প্ৰাপ্তবয়স্কসকলৰ শিক্ষাৰ যোগেদি সমাজৰ কু-সংস্কাৰক ভিত্তিহীনতা বুলি অৱগত কৰিব পাৰি ।

এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰো কৰণীয় আছে । তেওঁলোকে কেৱল নিজেই বিজ্ঞান শিক্ষাৰে যুক্তিবাদী হ'লেই নহ'ব । ঘৰে-বাহিৰে সকলোতে বিজ্ঞানৰ পোহৰ বিলাব লাগিব । তেওঁলোকে বিভিন্ন আলোচনা, সভা, পোষ্টাৰ, প্ৰদৰ্শনী, বাটৰ নাট আদিৰ জৰিয়তে অশিক্ষিত মানুহৰ মনৰ পৰা কু-সংস্কাৰ আঁতৰ কৰিবলৈ চেষ্টা কৰিব লাগিব । এইবোৰৰ উপৰি স্বেচ্ছাসেৱী সংগঠন, বিজ্ঞান ক্লাব আদিয়েও এই ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে । সকলোৰে সমূহীয়া প্ৰচেষ্টাৰেহে সমাজৰ পৰা কু-সংস্কাৰ আঁতৰাব পাৰি ।

**প্ৰশ্ন :**

(i) সহজাত সংস্কাৰ বুলিলে কি বুজা ? *2*

(ii) যুগ যুগ ধৰি সমাজত কু-সংস্কাৰ প্ৰচলিত হৈ থকাৰ কাৰণ কি ? *2*

(iii) ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ পৰা কু-সংস্কাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কেনে প্ৰচেষ্টা হাতত ল'ব পাৰে ? *2*

(iv) কু-সংস্কাৰ বুলিলে কি বুজা ? *2*

(v) বিজ্ঞানৰ শিক্ষাই কিদৰে কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰাব পাৰে ? *2*

(vi) আমাৰ সমাজত কেনে ধৰণৰ কু-সংস্কাৰ প্ৰচলিত হৈ আছে ? দুটা উদাহৰণ দাঙি ধৰাঁ । *2*

(vii) পদ পৰিৱৰ্তন কৰাঁ – অৰ্থনৈতিক 1

(A) অৰ্থনৈতি (B) অৰ্থনীতি

(C) অৰ্থনীতিক (D) অৰ্থনীত

(viii) উপসৰ্গ বাছি উলিওৱাঁ – সংস্কাৰ 1

(A) সং (B) সম

(C) সন (D) সু

(ix) বিপৰীত শব্দ লিখাঁ – অন্ধ 1

(A) চাক্ষুৰ (B) চাক্ষুহ

(C) চাশুস (D) চাক্ষুস

## SECTION B

**(লিখন কলা)** **(25 Marks)**

**2.** (i) তলত দিয়া সংকেত বাক্যকেইটাৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখাঁ। (গল্পটোৰ এটা শিৰোনাম আৰু নীতি শিক্ষা লিখিব লাগিব।) 5

কনকৰ দোকানত অলেখ নিগনি ________ নিগনি মাৰিবলৈ মেকুৰী এটা আনিলে ________ নিগনিবোৰৰ বিপদ ________ নিগনিবোৰে সভা পাতিলে ________ বুঢ়া নিগনিয়ে উপদেশ দিলে ________ মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব লাগিব ________ টিলিঙাৰ শব্দত সকলোৱে পলাব ________ কোনে টিলিঙা আঁৰিব ________ হঠাৎ মেকুৰীৰ মাত শুনা গ'ল "মেও মেও" __________ সকলোৱে পলাই-পত্ৰং দিলে ___________।

**নাইবা (OR)**

(ii) তলত দিয়া যিকোনো এখন ৰচনা লিখাঁ — 5

(a) ছাত্ৰৰ কৰ্তব্য

(b) নিয়মানুৱৰ্তিতা

**3.** "ল" বিদ্যালয়ত অনুষ্ঠিত "বিশ্ব পৰিবেশ দিৱসৰ" বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰাঁ। *5*

**4.** তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখাঁ — *5*

(i) ফটা কঁথা তিতে মানে গালৈহে গধুৰ।

(ii) হৰিণাৰ মাংসই বৈৰী।

**5.** ভাৱ সম্প্ৰসাৰণ কৰাঁ (যিকোনো এটা) *5*

(i) জীৱ-শ্ৰেষ্ঠ মানৱৰ গৰ্ব, অহংকাৰ সকলো মৃত্যুৰ লগে লগে মাটিৰ বুকুত বিলীন হৈ যায়।

(ii) অনন্ত বিশ্বৰ এই অসংখ্য ধূলিৰ
এটি মাত্ৰ ধূলিকণা মই
মোৰ অবিহনে এই বিপুল সৃষ্টিৰ
কেনিও অকণো হানি নাই।

**6.** তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা — (যিকোনো পাঁচটা) *5×1=5*

ভাত মোকলা, মাত মাৰ, মাটিৰ মানুহ, মাত দে, হাড়ে ছালে লগা, বাট কুৰি বা

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

**7.** তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) চুটি =

(A) কম (B) ভূষণ

(C) চাপৰ (D) অৱসৰ

(ii) ছুটী =

(A) হাতী (B) অৱসৰ

(C) ইংগিত (D) চাপৰ

(iii) পুথি =

(A) ছায়া (B) এবিধ মাছ

(C) চাকি (D) কিতাপ

(iv) পুঠি =

(A) এবিধ মাছ (B) পাম

(C) প্ৰকৃত (D) কিতাপ

**8.** তলত দিয়া শব্দকেইটাৰ অনুৰূপ শব্দ বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) ডা —

(A) বাতৰি (B) কটাৰী

(C) ডাঙৰীয়া (D) ডাৱৰ

(ii) মা —

(A) মচলা (B) মাত

(C) মাটি (D) মইনা

(iii) মূল শব্দৰ আদি ধ্বনিত জোৰ দি ধ্বনিটো দ্বিৰুক্তি কৰিলে —

(A) যুৰীয়া অনুৰূপ শব্দ বোলে।

(B) অনুকাৰ অনুৰূপ বোলে।

(C) দ্বিৰুক্ত অনুৰূপ শব্দ বোলে।

(D) অনিয়মিত অনুৰূপ বোলে।

(iv) অনুকাৰ শব্দৰ আন এটা নাম —

(A) অনুৰূপ শব্দ

(B) যুৰীয়া শব্দ

(C) ধ্বন্যাত্মক শব্দ

(D) অনিয়মিত শব্দ

**9.** তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) একেটা পদতে থকা ঋ, ৰ আৰু ষ-ৰ পিছত থকা দন্ত্য ন, মূৰ্দ্ধন্য ণ হয় ।

(A) লৱণ

(B) বৰ্ণ

(C) পৰায়ণ

(D) কন্ঠ

(ii) কিছুমান শব্দত স্বাভাৱিকতে মূৰ্দ্ধন্য ণ হয় ।

(A) ৰাৱণ

(B) কৰুণ

(C) মণি

(D) বৰষুণ

(iii) অ, আ ভিন্ন অন্য স্বৰবৰ্ণ বা ক বা ৰ-ৰ পাছত থকা প্ৰত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয় ।

(A) ভূষণ

(B) ভৱিষ্যৎ

(C) অভিষেক

(D) বিষম

(iv) ট-বৰ্গৰ লগত যুক্ত দন্ত্য স, মূৰ্দ্ধন্য ষ হয় ।

(A) অনুষ্ঠান

(B) কষ্ট

(C) যুধিষ্ঠিৰ

(D) ভূমিষ্ঠ

**10.** তলৰ শব্দকেইটাত যোগ হোৱা প্ৰত্যয়কেইটা বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) বাটৰুৱা =

(A) অৰুৱা

(B) উৱা

(C) ৰুৱা

(D) আ

(ii) উজনীয়া =

(A) ইয়া

(B) ঈয়া

(C) নীয়া

(D) আ

(iii) পলৰীয়া =

(A) অৰীয়া

(B) ৰীয়া

(C) ঈয়া

(D) আ

(iv) গোৱাল =

(A) ৱাল

(B) আল

(C) অল

(D) উল

**11.** নিৰ্দেশ অনুসৰি তলৰ বাক্যবোৰৰ উক্তি পৰিবৰ্তন কৰাঁ — *4×1=4*

(i) দেউতাই ক'লে, "তুমি এতিয়া আঁহা" । (পৰোক্ষ উক্তিলৈ)

(ii) শিক্ষকে ক'লে, "পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰে ।" (পৰোক্ষ উক্তিলৈ)

(iii) কেশৱে ক'লে যে আমি ভাত খাঁওহক ব'লা । (প্ৰত্যক্ষ উক্তিলৈ)

(iv) বিজয়ে ক'লে যে জয়দ'ল ৰুদ্ৰসিংহৰ অমৰ কীৰ্তি । (প্ৰত্যক্ষ উক্তিলৈ)

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

**12.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিৰ আধাৰত লেখকে উল্লেখ কৰা মহাদেৱৰ কৃষি-কৰ্মৰ কাহিনীটো লিখাঁ ।

(ii) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ — 'কমই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ' ।

(iii) চাৰি আশ্ৰম বুলিলে কি বুজা ?

**13.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *2*

(i) কি কি কথাৰ বাবে আনন্দৰাম বৰুৱা পূজ্য হৈ থাকিব ?

(ii) লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ কাৰণ কি আছিল ?

(iii) 'অতিথি দেৱো ভৱ' মানে কি ?

**14.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ — *4×1=4*

(i) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত এখন ধেমেলীয়া নাটকৰ নাম লিখাঁ ।

(ii) আনন্দৰাম বৰুৱাৰ জীৱনৰ মূল মন্ত্ৰ কি আছিল ?

(iii) তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ কি ?

(iv) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত ?

## (পদ্য ভাগ)

**15.** যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) শ্ৰী শ্ৰী মাধৱদেৱৰ 'উঠৰে উঠ বাপু গোপাল হে' বৰগীতটোৰ মূল কথাখিনি লিখাঁ ।

(ii) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ —

যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ

সেই মন্ত্ৰকে গালোঁ

জীয়াই থকাৰ ধেমালিটো মই

এবাৰেই খেলি গ'লোঁ ।

(iii) 'জনতাৰ আহ্বান' কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাৱ প্ৰকাশ পাইছে বুজাই লিখাঁ ।

**16.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *2*

(i) 'আজি সুন্দৰৰ পূজা-থাপনাত

যাচিবি কিহেৰে ষোড়শোপচাৰ' — ষোড়শোপচাৰ কি ?

(ii) বৰগীত কাক বোলে ? বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি ?

(iii) কবিৰ মতে পৃথিৱীলৈ নতুন মানুহ আহিলে কি পৰিৱৰ্তন হ'ব ?

**17.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ — *4×1=4*

(i) প্ৰথম অসমীয়া কথাছবিখনৰ নাম লিখাঁ ।

(ii) শ্ৰী শ্ৰী শংকৰ দেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতক কি বুলি অভিহিত কৰা হৈছে ?

(iii) ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কোনখন আলোচনী সম্পাদনা কৰিছিল ?

(iv) অসমীয়া সাহিত্য-সংস্কৃতি জগতত কোন গৰাকী সাহিত্যিকক 'ৰূপকোঁৱৰ' বুলি জনা যায় ?